**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-03-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰতে নিউজিলেণ্ডক ৯৬ ৰানত হৰুৱাই তৃতীয়বাৰৰ বাবে খিতাপ জয় কৰি ইতিহাস ৰচনা কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে **সবকা সাথ সবকা বিকাশ-জনসাধাৰণৰ আকাংক্ষা পূৰণ** বিষয়ক এখন বাজেটোত্তৰ ৱেবিনাৰত অংশ ল'ব।

৩। সংসদৰ বাজেট অধিৱেশনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হ'ব।

৪। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে আজি নতুন দিল্লীত বিকশিত ভাৰত যুৱ সংযোগ অনুষ্ঠানৰ দ্বিতীয় পৰ্যায় মুকলি কৰিব। ***আৰু***

৫। পশ্চিম এছিয়াৰ সংঘৰ্ষ বৰ্তমানো অব্যাহত আছে। ইজৰাইলে আজি পুনৰ দক্ষিণ লেবাননত আক্ৰমণ চলাইছে।

ooooo

আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেলত ভাৰতে নিউজিলেণ্ডক ৯৬ ৰানত হৰুৱাই তৃতীয়বাৰৰ বাবে খিতাপ জয় কৰি ইতিহাস ৰচনা কৰে। সূৰ্যকুমাৰ যাদৱ নেতৃত্বাধীন ভাৰতীয় দলে নিৰ্ধাৰণ কৰি দিয়া ২৫৬ ৰানৰ বৃহৎ লক্ষ্যৰে খেল আৰম্ভ কৰি নিউজিলেণ্ডে ১৯ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ১৫৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। জছপ্ৰীত বুমৰাই ৪টা উইকেট দখল কৰাৰ লগতে অক্ষৰ পেটেলে ৩টা উইকেট লাভ কৰে। বুমৰাক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়।

ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেটিং কৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ উইকেটৰ বিনিময়ত ২৫৫ ৰান সংগ্ৰহ কৰে। টি-২০ বিশ্বকাপ ক্ৰিকেটৰ ফাইনেলত এয়া আছিল ভাৰতৰ সৰ্বাধিক ৰান। অপেনাৰ সঞ্জু ছেমছনে সৰ্বাধিক ৮৭ ৰান কৰাৰ লগতে ঈষাণ কিষাণে ৫৪ আৰু অভিষেক শৰ্মাই ৫২ ৰান কৰে। নিউজিলেণ্ডৰ জেমছ নিচমে তিনিটা উইকেট লাভ কৰে। ছেমছনক প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণন আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভাৰতীয় ক্ৰিকেট দলক আইচিচি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ অৰ্জন কৰাৰ বাবে অভিনন্দন জনাইছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে টি-২০ বিশ্বকাপত তৃতীয়বাৰৰ বাবে খিতাপ জয় কৰা একমাত্ৰ দেশ হিচাপে ভাৰতে গৌৰৱ অৰ্জন কৰিছে। এই সাফল্যই ক্ৰিকেটপ্ৰেমী সকলক অত্যন্ত আনন্দিত আৰু গৌৰৱান্বিত কৰি তোলাৰ লগতে এই জয়ে দেশৰ যুৱচামৰ বিভিন্ন ক্ষেত্ৰত থকা বিপুল প্ৰতিভাক চিহ্নিত কৰিছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণনে সকলো

খেলুৱৈ, সহযোগী তথা লাখ লাখ ক্রিকেটপ্রেমীক তেওঁলোকৰ সমৰ্থনৰ বাবে শুভেচ্ছা জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এটা বাৰ্তাত কয়, যে এই স্মৰণীয় বিজয়ে অসাধাৰণ দক্ষতা, দৃঢ় লক্ষ্য আৰু দলীয় কাৰ্যক প্ৰতিফলিত কৰে। এই প্ৰতিযোগিতাৰ জৰিয়তে ভাৰতে দলে অনবদ্য সাহস আৰু ধৈৰ্য প্ৰদৰ্শন কৰিলে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে সবকা সাথ সবকা বিকাশ- জনসাধাৰণৰ আকাংক্ষা পূৰণ বিষয়ক এখন বাজেটোত্তৰ ৱেবিনাৰত অংশ ল'ব। এই বিষয়বস্তুৰ অধীনত শিক্ষা আৰু দক্ষতা, স্বাস্থ্য আৰু আয়ুষ, পৰ্যটন আৰু আতিথ্য আদি বিষয়ক কেইবাখনো সত্ৰ অনুষ্ঠিত হ'ব। এই আলোচনাত শিক্ষাক সংস্থানলৈ উত্তৰণৰ পথ, এনিমেচনৰ বিকাশ, ভিজুয়েল ইফেক্টছ্, গেমিং আৰু কমিক্স তথা উত্তৰ-পূৰ্বাঞ্চলত বুদ্ধৰ পৰিক্ৰমা আৰু ঐতিহ্যময় পৰ্যটনৰ প্ৰচাৰ সন্দৰ্ভত বিভিন্ন দিশত আলোকপাত কৰা হ'ব।

এই বাজেটোত্তৰত ৱেবিনাৰৰ জৰিয়তে চৰকাৰ, উদ্যোগ আৰু বাজেটত অন্তৰ্ভুক্ত নীতিসমূহ কাৰ্যকৰী কৰাৰ বাবে এখন মঞ্চ প্ৰদান কৰা হ'ব। সৰ্বাত্মক বিকাশ আৰু উন্নয়ন সাধনৰ বাবে এই আলোচনাৰ জৰিয়তে উত্থাপিত বিষয়সমূহ বাস্তৱ ৰূপায়নত গুৰুত্ব প্ৰদান কৰা হ'ব।

ooooo

সংসদৰ বাজেট অধিৱেশনৰ দ্বিতীয় পৰ্যায় আজি আৰম্ভ হ'ব আৰু অহা ২ এপ্ৰিলত অন্ত পৰিব। লোকসভাত আজি অধ্যক্ষ ওম বিৰলাক আঁতৰোৱাৰ প্ৰস্তাৱ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব। কংগ্ৰেছৰ তিনিজন সাংসদ- মহম্মদ জাভেদ, কে সুৰেশ আৰু মাল্লু ৰবিয়ে সংসদত এই প্ৰস্তাৱ উত্থাপন কৰিব। লোকসভাত যদি আজি এই প্ৰস্তাৱ গৃহীত হয় তেনেহ'লে শ্ৰীবিৰলাই সদনৰ কাম-কাজ পৰিচালনাৰ পৰিৱৰ্তে অন্যান্য সদস্যসকলৰ সৈতে আসন গ্ৰহণ কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰেও আজি লোকসভাত পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত বিবৃতি দাঙি ধৰিব। ইপিনে ৰাজ্যসভাত আজি পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ কাম-কাজ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে যোৱা মাহত অনুষ্ঠিত বাজেট অধিৱেশনৰ প্ৰথম পৰ্যায়ত বিৰোধী পক্ষই অধ্যক্ষক আঁতৰোৱাৰ দাবী জনাই লোকসভাৰ সাধাৰণ সচিবলৈ অনাস্থাৰ জাননী প্ৰেৰণ কৰিছিল। এই জাননীত তেওঁলোকে শ্ৰীবিৰলাৰ বিৰুদ্ধে পক্ষপাতমূলক আচৰণে অভিযোগ তুলিছিল। তৃণমূল কংগ্ৰেছৰ বাহিৰে কংগ্ৰেছ, সমাজবাদী পাৰ্টি, ডি এম কে, বাওঁ আৰু অন্যান্য দলৰ ১১৮ জন সাংসদে এই জাননীত স্বাক্ষৰ কৰিছিল।

ooooo

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে আজি নতুন দিল্লীত বিকশিত ভাৰত যুৱ সংযোগ অনুষ্ঠানৰ দ্বিতীয় পৰ্যায় মুকলি কৰিব। মেৰা যুৱ ভাৰত, মাই ভাৰত আদিৰ জৰিয়তে বিকশিত ভাৰত ২০৪৭ৰ লক্ষ্য পূৰণৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। মন্ত্ৰালয়ে জনোৱা মতে ৰাষ্ট্ৰীয় ৰাজধানীৰ ৩৫ খনতকৈও অধিক মহাবিদ্যালয়ৰ ১০ হাজাৰতকৈও অধিক শিক্ষাৰ্থীয়ে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। বাৰ্তালাপ, আলোচনা আদিৰ জৰিয়তে দেশৰ যুৱ প্ৰজন্মক উন্নয়নৰ যাত্ৰাৰ সৈতে সংযোগ কৰোৱাৰ লগতে এখন সুন্দৰ ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত তেওঁলোকৰ ভূমিকাক প্ৰেৰণা যোগোৱা হ'ব। মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে বিকশিত ভাৰত যুৱ নেতা আলোচনা আৰু বিকশিত ভাৰত যুৱ সংসদৰ বিজয়ী যুৱ নেতাসকলক এই

অনুষ্ঠানত অন্তৰ্ভুক্ত কৰাৰ লগতে অন্যান্য শিক্ষাৰ্থীসকলৰ সৈতে তেওঁলোকৰ বাৰ্তালাপ আৰু অভিজ্ঞতাৰ ভাগ বাটোৱাৰাৰ জৰিয়তে ৰাষ্ট্ৰ নিৰ্মাণৰ ক্ষেত্ৰত যুৱ প্ৰজন্মক অংশগ্ৰহণৰ জৰিয়তে প্ৰেৰণা যোগোৱা হ'ব। দেশৰ ২২ খন ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলৰ ২৭৪ বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত ২০ হাজাৰ যুৱক-যুৱতীক সামৰি ইতিমধ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। মাই ভাৰত ডিজিটেল প্লেটফৰ্মৰ মাই ভাৰত ডট গভ ডট ইন ৱেবছাইটৰ জৰিয়তে এই কাৰ্যসূচীত পঞ্জীয়ন আৰু অংশগ্ৰহণ কৰিব পাৰিব।

০০০০০

পশ্চিম এছিয়াৰ সংঘৰ্ষ বৰ্তমানো অব্যাহত আছে। ইজৰাইলে আজি পুৰা ইৰানৰ ৰিভলিউচনাৰী গাৰ্ডছ কুদ্‌ছ বাহিনীৰ কামাণ্ডাৰসকলক লক্ষ্য কৰি দক্ষিণ লেবাননত পুনৰ আক্ৰমণ চলায়। ইজৰাইলৰ আক্ৰমণত লেবাননত মৃত্যু হোৱা লোকৰ সংখ্যা ৪০০লৈ বৃদ্ধি পাইছে বুলি দেশখনৰ স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ।

ইজৰাইল প্ৰতিৰক্ষা বাহিনীয়ে আজি কয়, যে দেশখনে তেহৰানত ইছলামীক ৰিভলিউচনাৰী গাৰ্ড ক'ৰ্পছ আৰু অন্যান্য নিৰাপত্তাৰ সৈতে জড়িত আন্তঃগাঁথনিক লক্ষ্য কৰি পুনৰ অভিযান আৰম্ভ কৰিছে। এই আক্ৰমণত আই আৰ জি চিৰ মুখ্য কাৰ্যালয়, প্ৰায় ৫০টা অস্ত্ৰ ভাণ্ডাৰ, এটা অন্তৰৱৰ্তী নিৰাপত্তা কামাণ্ড চেণ্টাৰ ধ্বংস হৈছে বুলি ইজৰাইল প্ৰতিৰক্ষা বাহিনীয়ে দাবী কৰিছে।

ইপিনে ছৌদি আৰৱে ইৰানৰ আক্ৰমণত দুজন লোকৰ মৃত্যু হোৱা বুলি প্ৰকাশ কৰিছে। এটা আৱাসিক এলেকাত হোৱা এই আক্ৰমণত এজন ভাৰতীয় আৰু বাংলাদেশী লোক মৃত্যু হোৱাৰ লগতে ১২ জন বাংলাদেশী লোক আহত হৈ বুলি সংশ্লিষ্ট কৰ্তৃপক্ষই প্ৰকাশ কৰিছে। সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে কয়, যে তেওঁলোকৰ বায়ু প্ৰতিৰক্ষা ব্যৱস্থাই আজি দেশখনলৈ লক্ষ্য কৰি চলোৱা ১৬টা বেলিষ্টিক ক্ষেপণাস্ত্ৰ আৰু ১১৩টা ড্ৰোন প্ৰতিহত কৰে।

০০০০০

সমাপ্ত